আজিৰ কাকত আজিয়েই
অষ্টম বৰ্ষপূৰ্তিত
News Next Oneৰ
বিশেষ সংযোজন
অনলাইন দৈনিক

www.newsnextone.com
# e সংবাদ

Sacn to Donate
NEWSNEXTONE.COM

SATURDAY, FEBRUARY 24, 2024>> 10 PM www.newsnextone.comৰ অনলাইন নৈশ দৈনিক ।। প্ৰথম বছৰ, সংখ্যা ৫৮ Guwahati, Assam ।। মূল্যঃ এটকা

## কেবিনেট সিদ্ধান্তক একাংশৰ আদৰণি, একাংশই কৰিলে বিৰোধিতা

# বাতিল হ'ল মুছলমান বিবাহ-বিচ্ছেদ পঞ্জীয়ন আইন

**ই-সংবাদ, ২৪ ফেব্ৰুৱাৰীঃ** সমান ন্যায় সংহিতা আইন কাৰ্যকৰী কৰাৰ দিশে অগ্ৰসৰ হৈছে অসম চৰকাৰ। এই অনুযায়ী দীৰ্ঘদিন ধৰি অব্যাহত থকা বিতৰ্ক আৰু চৰ্চাৰ মাজতে 'অসম মুছলমান বিবাহ আৰু বিবাহ বিচ্ছেদ পঞ্জীয়ন আইন, ১৯৩৫' বাতিল কৰা হৈছে। শুকুৰবাৰে নিশা এক কেবিনেট সিদ্ধান্তযোগে এই আইনখন বাতিল কৰাৰ সিদ্ধান্ত লোৱা হয়। ইয়াকে লৈ ৰাজ্যত ব্যাপক চৰ্চা হোৱা পৰিলক্ষিত হৈছে। একাংশ লোকে এয়া বিজেপিৰ সফলতাৰূপে গণ্য কৰিছে। আন একাংশই এয়া ভোটৰ ৰাজনীতি বুলি অভিহিত কৰিছে। শেষাংশ ২ পৃষ্ঠাত

## সংঘাত শেষ! আপ-কংগ্ৰেছৰ বুজাবুজি

**নতুন দিল্লী, ২৪ ফেব্ৰুৱাৰীঃ** জল্পনা-কল্পনাৰ অৱসান ঘটনাই অৱশেষত চাৰি ৰাজ্যত মিত্ৰতা সুনিশ্চিত কৰিলে কংগ্ৰেছ আৰু আম আদমী পাৰ্টিয়ে। আগন্তুক লোকসভা নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত দিল্লী, গুজৰাট, গোৱা, হাৰিয়ানাত আসনৰ ভাগ-বতৰাৰ কথা ঘোষণা শেষাংশ ৩ পৃষ্ঠাত

## মোদীৰ আত্মবিশ্বাসক লৈ প্ৰশ্ন কংগ্ৰেছৰ!

**নতুন দিল্লী, ২৪ ফেব্ৰুৱাৰীঃ** লোকসভা নিৰ্বাচনৰ পূৰ্বে প্ৰচণ্ড আত্মবিশ্বাসী হৈ আছে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী। এইবাৰ ৩০৩ নহয়, মোদীৰ লক্ষ্য ৩৭০ খন আসন লাভৰ। ইতিমধ্যে তৃতীয় কাৰ্য্যকালৰ প্ৰথম এশ দিনৰ কাৰ্যপন্থাও শেষাংশ ৫ পৃষ্ঠাত

## এইবাৰ ইৰাণে পাকিস্তানত চলালে চাৰ্জিকেল ষ্ট্ৰাইক



**কৰাচী, ২৪ ফেব্ৰুৱাৰীঃ** পাকিস্তানৰ ভিতৰত প্ৰৱেশ কৰি দুৰ্ধৰ্ষ সন্ত্ৰাসবাদী সংগঠনৰ কমণ্ডাৰ আৰু কেডাৰক হত্যা কৰিলে ইৰাণে। বিগত মাহত দুয়োখন ৰাষ্ট্ৰ মাজত আৰম্ভ হোৱা সংঘাতৰ পিছতে পাকিস্তানৰ ভূমিত প্ৰৱেশ কৰি সন্ত্ৰাসবাদী সংগঠন জৈছ আল আদলৰ কমাণ্ডাৰ ইছমাইল শ্বাহবাকছ আৰু তেওঁৰ শেষাংশ ২ পৃষ্ঠাত

## দুৰ্ঘটনাত নিহত ২২জন তীৰ্থযাত্ৰী

**নতুন দিল্লী, ২৪ ফেব্ৰুৱাৰীঃ** তীৰ্থযাত্ৰাৰ বাবে ঘৰৰ পৰা ওলাই যোৱাৰ পিছতে সংঘটিত এক ভয়ংকৰ পথ দুৰ্ঘটনাত মৃত্যু ঘটিল শিশুসহ কমেও ২২ তীৰ্থযাত্ৰীৰ। শনিবাৰে উত্তৰ প্ৰদেশৰ কাছগঞ্জ অঞ্চলত সংঘটিত হয় এই দুৰ্ঘটনা। তীৰ্থযাত্ৰাৰ বাবে যোৱাৰ সময়তে শেষাংশ ২ পৃষ্ঠাত

• ইউনিক বৰা ফটোগ্ৰাফী ইনষ্টিটিউট •
• অসমীয়া মাধ্যমত শিকক ফটোগ্ৰাফী আৰু ইডিটিংৰ প্ৰতিটো কথা •
• গুৱাহাটীত অৱস্থিত উন্নত মানদণ্ডৰ ষ্টুডিঅ'ত শিক্ষা গ্ৰহণৰ সুবিধা •
• আসন সীমিত, শীঘ্ৰেই যোগাযোগ কৰক •
UniqueBorah.Com
88764 90887
নামভৰ্তিৰ বাবে ওপৰৰ নংত যোগাযোগ কৰক।

## লুৰীণৰ বাবে লখিমপুৰেই ভাল! দাবী 'আপ অসম'ৰ

**ই-সংবাদ বিশেষ, ২৪ ফেব্ৰুৱাৰীঃ** ইণ্ডিয়া মিত্ৰজোঁটে অসমৰ মিত্ৰতা সন্দৰ্ভত এই পৰ্যন্ত কোনো সিদ্ধান্ত লোৱা নাই। আজি এই কথাৰ অনুমান পোৱা গ'ল দিল্লীত আপ-কংগ্ৰেছে অনুষ্ঠিত কৰা সংবাদমেলত। আপ আৰু কংগ্ৰেছে কেইবাখনো ৰাজ্যৰ মিত্ৰতাত মোহৰ লগাই



দিল্লীত আসন ভাগ-বাটোৱাৰাৰ ঘোষণা কৰিবলৈ এখন সংবাদমেল অনুষ্ঠিত কৰে। এই সংবাদমেলত আপ নেতা তথা দিল্লীৰ মন্ত্ৰী সৌৰভ ভৰদ্বাজে অসমত আসন ভাগ-বতৰাৰ বাবে আলোচনা চলি আছে আৰু শীঘ্ৰেই সিদ্ধান্ত লোৱা হ'ব বুলি উল্লেখ কৰে। ইয়াৰ দ্বাৰা এটা কথা স্পষ্ট শেষাংশ ৪ পৃষ্ঠাত

# বাতিল হ'ল মুছলমান

■ প্ৰথম পৃষ্ঠাৰ পৰা...

উল্লেখ্য যে, শুকুৰবাৰে নিশা মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাৰ অধ্যক্ষতাত অনুষ্ঠিত হৈছিল সাপ্তাহিক কেবিনেট বৈঠক। উক্ত বৈঠকতে অসম মুছলমান বিবাহ আৰু বিবাহ বিচ্ছেদ পঞ্জীয়ন আইন বাতিলৰ সিদ্ধান্ত গ্ৰহণ কৰা হয়। মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই এক্সযোগে কয় যে ২৩ ফেব্ৰুৱাৰীত কেবিনেটে যুগ যুগ ধৰি চলি অহা অসম মুছলমান বিবাহ আৰু বিবাহ বিচ্ছেদ পঞ্জীয়ন আইন বাতিলৰ গুৰুত্বপূৰ্ণ সিদ্ধান্ত লয়। এই আইনত বিবাহ পঞ্জীয়নৰ অনুমতি দিয়া বিধান অন্তৰ্ভুক্ত আছে য'ত দৰা-কইনাৰ আইনী বয়স ১৮ আৰু ২১ বছৰ নহ'লেও বিবাহ পঞ্জীয়নৰ অনুমতি দিয়া বিধান অন্তৰ্ভুক্ত কৰা আছিল। এই পদক্ষেপ অসমত বাল্যবিবাহ নিষিদ্ধৰ দিশত আন এক গুৰুত্বপূৰ্ণ পদক্ষেপ। শুকুৰবাৰে নিশা মন্ত্ৰী জয়ন্ত মল্ল বৰুৱাই সংবাদমেলযোগে ইউচিচিৰ দিশত ইয়াক এক বৃহৎ পদক্ষেপ বুলি অভিহিত কৰি কয় যে মুছলমান বিবাহ আৰু বিবাহ বিচ্ছেদৰ সৈতে জড়িত সকলো বিষয় সাধাৰণ বিশেষ বিবাহ আইন অনুসৰি পৰিচালিত হ'ব। মুছলমান বিবাহ আৰু বিবাহ বিচ্ছেদ পঞ্জীয়ন জিলা আয়ুক্ত আৰু জিলা পঞ্জীয়কৰ অধীনত থাকিব। আইনখনৰ অধীনত কৰ্মৰত ৯৪ জন পঞ্জীয়কক পদৰ পৰা অব্যাহতি দিয়া হৈছে৷ অব্যাহতি দিয়া পঞ্জীয়কসকলক ২ লাখ টকাৰ এককালীন সাহায্য প্ৰদানৰো ব্যৱস্থা কৰিছে চৰকাৰে। ইফালে কেবিনেটে গ্ৰহণ কৰা এই সিদ্ধান্তৰ পিচতে মুছলমান সমাজত এক মিশ্ৰিত প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। একাংশই ৰাজনৈতিক উদ্দেশ্য লৈহে এই আইন খাৰিজ কৰা হৈছে বুলি দাবী কৰাৰ বিপৰীতে আন একাংশই উক্ত সিদ্ধান্তক আদৰণি জনাইছে। শনিবাৰে নগাঁৱৰ একাংশ মুছলমান মহিলাই কেবিনেটৰ সিদ্ধান্তৰ পিছতে আনন্দ-উল্লাস কৰাও পৰিলক্ষিত হয়। আনহাতে, শাসকীয় বিজেপি দলৰ বিৰুদ্ধে লোকসভা নিৰ্বাচনৰ পূৰ্বে ধৰ্মীয় মেৰুকৰণৰ ৰাজনীতি আৰম্ভ কৰাৰ অভিযোগ উত্থাপন কৰিছে একাংশই৷ এই সন্দৰ্ভত এআইইউডিএফৰ মুৰব্বী বদৰুদ্দিন আজমলে কয় যে মুছলমানক প্ৰৰোচিত কৰি ভোটৰ মেৰুকৰণ কৰিব বিচাৰিছে বিজেপিয়ে। মুছলমানসকলে এনে হ'বলৈ নিদিয়ে বুলিও আজমলে মন্তব্য কৰে৷

# এইবাৰ ইৰাণ পাকিস্তানত

■ প্ৰথম পৃষ্ঠাৰ পৰা...

কেইজনমান সহযোগীক হত্যা কৰিছে ইৰানে। এই তথ্য প্ৰদান কৰিছে ইৰাণ ইণ্টাৰনেশ্যনেলে। উল্লেখ্য যে, এমাহ পূৰ্বে ইৰানে পাকিস্তানৰ ওপৰত বিমান আক্ৰমণ সংঘটিত কৰিছিল, ইয়াৰ প্ৰত্যুত্তৰ দি ইৰাণৰ ওপৰত পাকিস্তানেও বিমান আক্ৰমণ সংঘটিত কৰাত দুয়োখন ৰাষ্ট্ৰৰ মাজত উত্তেজনা বৃদ্ধি পায়। আল আৰবিয়া নিউজৰ প্ৰতিবেদন অনুসৰি, ২০১২ চনতগঠন হোৱা জৈছ আল আদল নামৰ চুন্নী সংগঠনটোক সন্ত্ৰাসবাদী বুলি ঘোষণা কৰিছিল ইৰাণে। ৰাষ্ট্ৰখনৰ দক্ষিণ-পূব প্ৰদেশৰ চিস্তান-বেলুচিস্তানৰ পৰা চলি থকা এই সন্ত্ৰাসবাদী সংগঠনটোৱে বিগত কেইবছৰমানত ইৰাণত কেইবাটাও আক্ৰমণ সংঘটিত কৰা বুলি দাবী কৰি আহিছে চৰকাৰখনে। যোৱা বছৰৰ ডিচেম্বৰ মাহত ইস্তান-বেলুচিস্তানৰ এখন থানাত সংঘটিত আক্ৰমণৰ দায়িত্বও স্বীকাৰ কৰিছিল এই সন্ত্ৰাসবাদী সংগঠনটোৱে। উল্লেখ্য যে, এই আক্ৰমণত ১১ গৰাকী আৰক্ষী নিহত হৈছিল। ইফালে, জানুৱাৰীৰ ১৬ জানুৱাৰীত ইৰাণে পাকিস্তানৰ ওপৰত ড্ৰোণ আৰু ক্ষেপণাস্ত্ৰ আক্ৰমণ চলাই জৈছ আল আদলৰ দুটা কাৰ্যালয় ধ্বংস কৰে। পাকিস্তানে অভিযোগ কৰা মতে, ইৰাণৰএই আক্ৰমণত দুটি নিৰীহ শিশু আৰু তিনিগৰাকী কিশোৰী আহত হয়। ইৰাণৰ এই আক্ৰমণৰ প্ৰত্যুত্তৰ দি ১৮ জানুৱাৰীত পাকিস্তানেও আকাশী আক্ৰমণ সংঘটিত কৰে। পাকিস্তানে 'সন্ত্ৰাসবাদী গোট' বেলুচিস্তান লিবাৰেশ্যন আৰ্মী (বিএলএ) আৰু বেলুচিস্তান লিবাৰেচন ফ্ৰণ্ট (বিএলএফ)ৰ ঘাটিসমূহক লক্ষ্য কৰি এই আক্ৰমণ সংঘটিত কৰা বুলি দাবী কৰে। দুয়োখন ৰাষ্ট্ৰৰ আক্ৰমণ-প্ৰত্যাক্ৰমণে উত্তেজনা বৃদ্ধি কৰাৰ পিছতে শেহতীয়াকৈ পাকিস্তান আৰু ইৰানে ইজনে সিজনৰ সৈতে নিৰাপত্তা সহযোগিতা বৃদ্ধিৰ বাবে সন্মতি প্ৰকাশ কৰিছে বুলি দ্য নিউজ ইণ্টাৰনেশ্যনেলে প্ৰকাশ কৰিছে। দুয়োখন ৰাষ্ট্ৰৰ মাজৰ এই উত্তেজনা দূৰ কৰাৰ বাবে পাকিস্তানৰ বৈদেশিক মন্ত্ৰী জলিল আব্বাছ জিলানী আৰু ইৰাণৰ সমকক্ষ হোছেইন আমিৰ-আব্দুল্লাহিয়ানে পাকিস্তানৰ বৈদেশিক কাৰ্যালয়ত এক যৌথ সংবাদমেলত এই সন্মতিৰ কথা ঘোষণা কৰে। জিলানীয়ে কয় যে ইৰাণ আৰু পাকিস্তান দুয়োখনেই অতি সোনকালে কিছুমান "ভুল বুজাবুজি" সমাধান কৰিব। দুয়োখন দেশে নিজ নিজ এলেকাত সন্ত্ৰাসবাদৰ বিৰুদ্ধে যুঁজি ইজনে সিজনৰ সমস্যা সমাধানৰ বাবেও সন্মতি প্ৰকাশ কৰিছে। কিন্তু ৰাষ্ট্ৰ দুখনৰ সহযোগিতাৰ ঘোষণাৰ পিছতে পাকিস্তানত প্ৰৱেশ কৰি ইৰানে শেহতীয়াকৈ সংঘটিত কৰা আক্ৰমণে পুনৰ উত্তেজনা বৃদ্ধি কৰিছে।

# দুৰ্ঘটনাত নিহত ২২

■ প্ৰথম পৃষ্ঠাৰ পৰা...

নিয়ন্ত্ৰণ হেৰুৱাই এখন ট্ৰেক্টৰ পথৰ দাঁতিৰ পুখুৰীত বাগৰি পৰাত কৰুণ মৃত্যুক আঁকোৱালি লয় ২২ গৰাকী তীৰ্থযাত্ৰীয়ে। আৰক্ষীয়ে সদৰী কৰা মতে, মুঠ ৩০ গৰাকী লোকে এখন ট্ৰেক্টৰেৰে কাদৰগঞ্জলৈ তীৰ্থ ভ্ৰমণৰ বাবে গৈ আছিল। সেই সময়তে কাছগঞ্জ অঞ্চলত ট্ৰেক্টৰখন এটা পুখুৰীত বাগৰি পৰে, যাৰ ফলত কমেও ২২ জন লোকৰ সলিল সমাধি ঘটে। নিহত সকলৰ ভিতৰত আছে সাতটি শিশুও। ইফালে দুৰ্ঘটনাৰ পিছত উদ্ধাৰকাৰী দলে ৫ জন লোকক উদ্ধাৰ কৰি হাস্পতাললৈ প্ৰেৰণ কৰিছে। উত্তৰ প্ৰদেশৰ মুখ্যমন্ত্ৰী যোগী আদিত্যনাথে এই দুৰ্ঘটনাত শোক প্ৰকাশ কৰি নিহত সকলৰ পৰিয়ালক ২ লাখ টকা আৰু আহত সকলক ৫০ হাজাৰ টকাকৈ আৰ্থিক ক্ষতিপূৰণ প্ৰদানৰ কথা ঘোষণা কৰিছে।

প্ৰথম পৃষ্ঠাৰ পৰা...

# সম্পন্ন হ’ল আপ-কংগ্ৰেছৰ

কৰিলে দুয়োটা দলে। সেই অনুসৰি সাতখন আসনযুক্ত দিল্লীত আম আদমী পাৰ্টিয়ে ৪ খন আসনত আৰু কংগ্ৰেছে ৩ খন আসনত প্ৰতিদ্বন্দ্বিতা আগবঢ়োৱাৰ বাবে সহমত প্ৰকাশ কৰিছে। দিল্লীত আম আদমী পাৰ্টিয়ে দক্ষিণ দিল্লী, পশ্চিম দিল্লী, পূব দিল্লী আৰু নতুন দিল্লী লোকসভাৰ আসনৰ পৰা প্ৰাৰ্থী প্ৰক্ষেপ কৰাৰ বিপৰীতে কংগ্ৰেছে চান্দনী চক, উত্তৰ পশ্চিম দিল্লী আৰু উত্তৰ পূব দিল্লীৰ আসনৰ পৰা প্ৰতিদ্বন্দ্বিতা কৰিব। বিগত নিৰ্বাচনত দিল্লীৰ আটাইকেইখন আসনত জয়লাভ কৰিছিল বিজেপিয়ে। ইফালে গুজৰাটৰ ভাৰুচ আৰু ভৱনগৰ লোকসভাৰ আসনৰ পৰা নিৰ্বাচনত অৱতীৰ্ণ হ’ব আপ। গুজৰাটৰ ২৬খন লোকসভাৰ আসনৰ ২৪খনত নিৰ্বাচনত অৱতীৰ্ণ হ’ব কংগ্ৰেছ। উল্লেখ্য যে, গুজৰাটৰ ভাৰুচ আসন সন্দৰ্ভত বিগত কিছুদিনত দুয়োটা দলৰ মাজতে কিছু মতানৈক্যৰ সৃষ্টি হোৱা পৰিলক্ষিত হৈছিল। প্ৰবীণ কংগ্ৰেছ নেতা প্ৰয়াত আহমেদ পেটেলৰ পুত্ৰ ফৈছাল পেটেল আৰু কন্যা মুমতাজ পেটেলে এই আসন আপক দিয়াৰ বিৰোধিতা কৰিছিল। এই আসনত কংগ্ৰেছৰ পৰা টিকটৰ বাবে ফৈছাল আৰু তেওঁৰ ভগ্নী মুমতাজক প্ৰতিদ্বন্দ্বী হিচাপে গণ্য কৰা হৈছিল। কিন্তু ইতিমধ্যে আপে ভাৰুচ লোকসভা আসনৰ পৰা বিধায়ক চৈত্ৰ বাসৱক প্ৰাৰ্থী হিচাপে ঘোষণা কৰিছে। উমেশভাই মাকৱানাকো ভৱনগৰত প্ৰাৰ্থী হিচাপে ঘোষণা কৰিছে আপে। হাৰিয়ানাৰ কুৰুক্ষেত্ৰ লোকসভাৰ আসন আম আদমী পাৰ্টিক অৰ্পণ কৰা হৈছে। হাৰিয়ানাৰ ১০ খন আসনৰ বাকী ৯খন আসনত কংগ্ৰেছে প্ৰতিদ্বন্দ্বিতা কৰিব। চণ্ডীগড় লোকসভাৰ আসন সন্দৰ্ভত দীৰ্ঘদিনীয়া আলোচনাৰ অন্তত কংগ্ৰেছেপ্ৰতিদ্বন্দ্বিতা কৰাৰ বাবে মান্তি হৈছে আপ। ইফালে গোৱাৰ দুয়োখন আসনত প্ৰতিদ্বন্দ্বিতা কৰিব কংগ্ৰেছে। ইয়াৰ পূৰ্বে আপে দক্ষিণ গোৱা লোকসভাৰ আসনৰপ্ৰাৰ্থী হিচাপে ঘোষণা কৰিছিল বিধায়ক ভেঞ্জী ভিয়েগাছক। বৰ্তমান কংগ্ৰেছৰ ফ্ৰান্সিস্কো চাৰ্ডিনহা এই আসনৰ পৰা সাংসদ। কংগ্ৰেছ আৰু আপে পৃথকে পৃথকে পঞ্জাৱত নিৰ্বাচনত অৱতীৰ্ণ হোৱাৰ সিদ্ধান্ত লৈছে। কংগ্ৰেছে কয় যে পঞ্জাৱত বিশেষ পৰিস্থিতি আছে আৰু সেইবোৰৰ প্ৰতি লক্ষ্য ৰাখি পৃথকে যুঁজ দিয়াৰ সিদ্ধান্ত লোৱা হৈছে। আপ আৰু কংগ্ৰেছৰ এই মিত্ৰতা ঘোষণাৰ পিছতে বিজেপিয়ে ইয়াক সুবিধাবাদী মিত্ৰতা বুলি অভিহিত কৰে। কেন্দ্ৰীয় মন্ত্ৰী হৰদ্বীপ সিং পুৰীয়ে ‘এক্স’ত পোষ্ট কৰি কয়, ‘আপ আৰু কংগ্ৰেছৰ সুবিধাবাদী মিত্ৰতাই যদি নিজৰ অন্তৰ্নিহিত বৈপৰীত্যৰ পৰা আঁতৰি থাকিবলৈ সক্ষম হয়, তেন্তে ই হ’ব সকলো অৰ্থতে আটাইতকৈ অদ্ভুত ৰাজনৈতিক মিত্ৰতা। নিজৰ ভোটাৰক মুৰ্খ সজাবলৈ চেষ্টা কৰা হৈছে। জনতাই স্পষ্টকৈ মনত ৰাখিব যে কংগ্ৰেছৰ দুৰ্নীতিৰ প্ৰতিবাদ কৰি আপ অস্তিত্বলৈ আহিছিল।" তেওঁ কটুক্তি কৰি কয় যে এই মিত্ৰতাৰ আটাইতকৈ আমোদজনক দিশটো হ’ল তেওঁলোক দিল্লীত একেলগে যুঁজিব, কিন্তু পঞ্জাৱত ইজনে সিজনৰ বিৰুদ্ধে যুঁজিব!

# চাবুৱাত বিধায়ক ভাস্কৰ শৰ্মাৰ কনভয় দুৰ্ঘটনাগ্ৰস্ত, ৭ আহত

**ই-সংবাদ, ডিব্ৰুগড়, ২৪ ফেব্ৰুৱাৰীঃ** উজনি অসমত বিজেপি নেতা তথা বিধায়কৰ কনভয় দুৰ্ঘটনাত পতিত হৈ কমেও ৭গৰাকী লোক গুৰুতৰভাবে আহত হৈছে। ডিব্ৰুগড় জিলাৰ চাবুৱাত মাৰ্ঘেৰিটাৰ বিধায়ক ভাস্কৰ শৰ্মাৰ কনভয় দুৰ্ঘটনাতত পতিত হয়। দুৰ্ঘটনাত আহত লোককেইজনক ততাতৈয়াকৈ স্থানীয় চিকিৎসালয়ত ভৰ্তি কৰোৱা হয়। কিন্তু বিধায়ক ভাস্কৰ শৰ্মা সুৰক্ষিত হৈ থকা বুলি জানিব পৰা গৈছে। জানিব পৰা মতে, চাবুৱাত বিজেপি বিধায়ক ভাস্কৰ শৰ্মাৰ এছক'ৰ্ট বাহন আৰু এখন যাত্ৰীবাহী বাহনৰ সংঘৰ্ষ লাগে। কাঞ্জিখোৱা বাইপাছত বিধায়কৰ এছক'ৰ্ট বাহন আৰু এখন যাত্ৰীবাহী বাহনৰ মাজত খুন্দা লগাত বাহনখনত থকা ৭ যাত্ৰী গুৰুতৰভাবে আঘাতপ্ৰাপ্ত হয়। এএছ-০৬-এইচ-৯০০২ মাৰুতি আৰু এএছ-০১-ডিপি-০২৪৪ এছক'ৰ্ট বাহনৰ সংঘৰ্ষ লাগে। আহত ৭ জন লোকক চাবুৱাৰ মহাত্মা গান্ধী মডেল হাস্পতালত ভৰ্তি কৰোৱা হয়। ঘটনাস্থলীত আৰক্ষী উপস্থিত হৈ তদন্ত আৰম্ভ কৰা বুলি জানিব পৰা গৈছে।



প্ৰথম পৃষ্ঠাৰ পৰা...

# লুৰীণৰ বাবে লখিমপুৰেই ভাল!

হয় যে এই পৰ্যন্ত অসমত আসনৰ ভাগ-বতৰা হোৱা নাই। কিন্তু ৮ ফেব্ৰুৱাৰীত আপে অসমৰ তিনিটা সমষ্টিৰ প্ৰাৰ্থী ঘোষণা কৰিছে। ডিব্ৰুগড় লোকসভা আসনৰ বাবে মনোজ ধনোৱাৰ, গুৱাহাটী লোকসভা আসনৰ বাবে ভৱেন চৌধুৰী আৰু শোণিতপুৰ লোকসভা আসনৰ বাবে ঋষিৰাজ কৌণ্ডিণ্যৰ নাম প্ৰাৰ্থী ৰূপে ঘোষণা কৰে। আপে মিত্ৰতাৰ ধৰ্ম পালন নকৰাৰ অভিযোগৰ মাজতে কংগ্ৰেছ আৰু অসম জাতীয় পৰিষদৰ বাবে অনাহুত পৰিস্থিতিৰ সৃষ্টি হৈছে। কিয়নো অসম জাতীয় পৰিষদৰ সভাপতি লুৰীণজ্যোতি গগৈয়ে ডিব্ৰুগড় লোকসভা সমষ্টিত নিৰ্বাচনত অৱতীৰ্ণ হ'বৰ বাবে দীৰ্ঘ সময়ৰ পৰা কুচকাৱাজ চলাই আহিছে। এনে পৰিস্থিতিত লুৰীণজ্যোতি গগৈৰ সন্মানৰ প্ৰশ্ন জড়িত হৈ পৰিছে। কংগ্ৰেছেও একপ্ৰকাৰ ডিব্ৰুগড় লোকসভা সমষ্টি লুৰীণজ্যোতি গগৈক এৰিয়েই দিছিল। কিন্তু মিত্ৰজোঁটৰ অন্যতম সহযোগী দল আপে বিৰোধী দলসমূহৰ সিদ্ধান্ত অবিহনেই ডিব্ৰুগড় লোকসভা সমষ্টিত প্ৰাৰ্থী ঘোষণা কৰাত বুমেৰাং হৈ পৰিছে বিৰোধী মিত্ৰজোঁট। আপে কোনো কাৰণত তিনি প্ৰাৰ্থী প্ৰত্যাহাৰ নকৰাৰ আকোৰগোজ মনোভাৱ লোৱাত বিশেষকৈ বিপদত পৰিছে কংগ্ৰেছ দল। কংগ্ৰেছ দলে আপ আৰু অসম জাতীয় পৰিষদক এৰিব খোজা নাই। ইয়াৰ ফলত এই জটিলতা আতৰাবলৈ আপ আৰু কংগ্ৰেছে বিকল্পৰ সন্ধান কৰা বুলি জানিব পৰা গৈছে। আপৰ এটি সূত্ৰই জনোৱা মতে দলটোৱে লুৰীণক লখিমপুৰ সমষ্টিৰ প্ৰাৰ্থী হ'বলৈ পৰামৰ্শ আগবঢ়োৱা বুলি জানিব পৰা গৈছে। কিয়নো ডিব্ৰুগড় লোকসভা সমষ্টিৰ লগতে লখিমপুৰ সমষ্টিত সক্ৰিয়তা আছে লুৰীণৰ। এতিয়া প্ৰশ্ন হৈছে চাহ জনগোষ্ঠী অধ্যুষিত ডিব্ৰুগড় লোকসভা সমষ্টিত লুৰীণজ্যোতি গগৈয়ে জয়ী হ'ব পাৰিব নে নাই তাকে লৈ চৰ্চা চলিছে। যদিহে চাহ জনগোষ্ঠীৰ আপ নেতা মনোজ ধানোৱাৰ আৰু বিজেপিৰ চাহ জনগোষ্ঠীৰ নেতা ৰামেশ্বৰ তেলী প্ৰাৰ্থী হয় তেন্তে লোকসভা নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা আকৰ্ষনীয় হ'ব পাৰে বুলিও ধাৰণা কৰা হৈছে। আনহাতে, লুৰীণজ্যোতি গগৈ লখিমপুৰত প্ৰাৰ্থী হ'লে প্ৰদান বৰুৱাক প্ৰত্যাহ্বান জনাবলৈ সক্ষম হ'ব বুলিও চৰ্চা চলিছে। ইপিনে আজি দিল্লীত অনুষ্ঠিত সংবাদমেলত আপ নেতা সন্দীপ পাঠকে কয় যে আপে অসমৰ তিনিখন লোকসভা আসনত নিৰ্বাচনী প্ৰচাৰ আৰম্ভ কৰিছে আৰু ইণ্ডিয়া মিত্ৰজোঁটে তিনি প্ৰাৰ্থীক সহায় কৰিব বুলি আশা প্ৰকাশ কৰে পাঠকে। আপ আৰু কংগ্ৰেছে অসমত নিৰ্বাচনী প্ৰচাৰৰ বাবে এখন সমন্বয় সমিতি গঠন কৰিব। সমিতিৰ দায়িত্ব হ'ব অসমৰ বিৰোধী দলৰ কোন নেতাই মিত্ৰজোঁটৰ আসনত প্ৰচাৰ আৰু প্ৰচাৰৰ ৰণনীতি চূড়ান্ত কৰিব। আজি আপ আৰু কংগ্ৰেছে দিল্লী, হাৰিয়ানা, গুজৰাট, চণ্ডিগড় আৰু গোৱাৰ আসন ভাগ-বতৰা সম্পন্ন হোৱাৰ ঘোষণা কৰে। দিল্লীত আপে চাৰিখন আৰু কংগ্ৰেছে তিনিখন আসনত প্ৰতিদ্বন্দ্বিতা কৰিব।

# এআইইউডিএফে তিনিখন আসন পাব বুলি দাবী আজমলৰ

## জয়ী হৈয়েই ইণ্ডিয়া এলায়েন্সক কৰিব সমৰ্থন!

**ই-সংবাদ, ২৪ ফেব্ৰুৱাৰীঃ** অসমৰ পৰা তিনিখন আসনত জয়ী হৈ 'ইণ্ডিয়া' মিত্ৰজোঁটক সমৰ্থন কৰিব ইউডিএফে। বিজেপিৰ বিৰুদ্ধে যুঁজিবলৈ নিৰ্বাচনৰ পূৰ্বে ইণ্ডিয়া মিত্ৰজোঁটক সহায় কৰিব ইউডিএফে। কিন্তু নিৰ্বাচনত ধুবুৰী, নগাঁও আৰু কৰিমগঞ্জত লোকসভা সমষ্টিত প্ৰতিদ্বন্দ্বিতা কৰিব দলটোৱে। এই কথা প্ৰকাশ কৰিছে ইউডিএফ প্ৰধান বদৰুদ্দিন আজমলে। সাংবাদিকৰ সৈতে মুখামুখি হৈ ইণ্ডিয়া মিত্ৰজোঁটক সমৰ্থন আগবঢ়োৱাৰ ঘোষণা কৰি আজমলে কয় যে আগন্তুক লোকসভা নিৰ্বাচনত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী নেতৃত্বাধীন বিজেপি আৰু এনডিএৰ বাবে প্ৰত্যাহ্বান সৃষ্টি কৰা হ'ব। লগতে আজমলে ঘোষণা কৰি কয় যে অসমৰ তিনিখন আসনত নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰিব ইউডিএফ দলে। তিনিখন আসনত জিকি ইণ্ডিয়া এলায়েন্সক সমৰ্থন কৰিব। ৰাজ্যিক কেবিনেটে মুছলিম বিবাহ আইন বাতিল কৰাত প্ৰতিক্ৰিয়া ব্যক্ত কৰি আজমলে কয় যে অসমত বিজেপি সমাপ্ত হ'ব। মুছলমানক প্ৰৰোচিত কৰি ভোটৰ মেৰুকৰণ কৰিব বিচাৰিছে বিজেপিয়ে। মুছলমানসকলে এনে হ'বলৈ নিদিয়ে। ইউচিচি অনাৰ দিশত এয়া হৈছে প্ৰথম পদক্ষেপ। অসমত বিজেপি চৰকাৰ সমাপ্তি হ'ব বুলিও কয় বদৰুদ্দিন আজমলে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# মোদীৰ আত্মবিশ্বাসক লৈ প্ৰশ্ন

প্ৰস্তুত কৰিছে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে। কিন্তু প্ৰধানমন্ত্ৰীৰ এই প্ৰবল আত্মবিশ্বাসক লৈ প্ৰশ্ন উত্থাপন কৰিছে বিৰোধীয়ে। আগন্তুক লোকসভা নিৰ্বাচনক লৈ মোদী যদি ইমান আত্মবিশ্বাসী, তেন্তে কিয় বিজেপিৰ হাতত পৰাস্ত হোৱা কংগ্ৰেছ নেতাসকলক কিয় নিজৰ দলত যোগদান কৰোৱাই ৰাজ্যসভালৈ প্ৰেৰণ কৰিছে? প্ৰধানমন্ত্ৰী যদি ইমানেই আত্মবিশ্বাসী, তেন্তে কিহৰ ভয়ত চিবিআই-ইডিক বিৰোধী দলৰ নেতাৰ ঘৰত অভিযান চলাবলৈ ব্যৱহাৰ কৰিছে? বিগত লোকসভা নিৰ্বাচনত ৩০৩খন আসন লাভ কৰাৰ পাছত সংসদত থিয় দি নৰেন্দ্ৰ মোদীয়ে ভৱিষ্যদ্বাণী কৰিছিল যে এইবাৰ বিজেপিয়ে ৩৭০খন আসন লাভ কৰিব। লোকসভাৰ ৫৪৩খন আসনৰ ভিতৰত ৪০০খন আসন এন ডি এয়ে দখল কৰিব। বিৰোধীয়ে কয় যে মোদীৰ ঘোষণাৰ পাছত বিজেপিয়ে মহাৰাষ্ট্ৰ কংগ্ৰেছ নেতা অশোক চৌহানক নিজৰ দললৈ আনি ৰাজ্যসভালৈ প্ৰেৰণ কৰে। বিগত লোকসভা নিৰ্বাচনৰ সময়ত বিজেপিৰ হাততে পৰাস্ত হৈছিল চৌহান। সেই সময়ত তেওঁ মহাৰাষ্ট্ৰৰ প্ৰদেশ কংগ্ৰেছৰ সভাপতি আছিল। আনহাতে কংগ্ৰেছ নেতৃত্বৰ ওপৰত ক্ষুব্ধ কমল নাথ আৰু তেওঁৰ পুত্ৰ নকুল নাথকো বিজেপিয়ে নিজৰ দললৈ অনাৰ প্ৰয়াস চলায়।মাত্ৰ কেইমাহমান পূৰ্বে মধ্যপ্ৰদেশত বিজেপিৰ হাততে পৰাজিত হৈছিল কমল নাথো । এনে পৰিপ্ৰেক্ষিততে কংগ্ৰেছৰ জনসংযোগ বিভাগৰ অধ্যক্ষ পৱন খেৰাই প্ৰশ্ন কৰে, "নিৰ্বাচনত জয়ী হোৱা আমাৰ নেতাসকলক হাৰাশাস্তি কৰি আজি বিজেপিয়ে আমাৰ তেওঁলোকক বিজেপীমুখী কৰিবলৈ চেষ্টা কৰিছে। নৰেন্দ্ৰ মোদী যদি নিজৰ জয়ৰ ওপৰত ইমানেই নিশ্চিত, তেন্তে তেওঁক ইমান উদ্বিগ্ন কিয় দেখা গৈছে?" ইফালে আজি আম আদমি পাৰ্টিৰ নেতা তথা অৰবিন্দ কেজৰিৱাল চৰকাৰৰ দিল্লীৰ মন্ত্ৰী সৌৰভ ভৰদ্বাজেও কয়, ‘এয়া স্পষ্ট যে বিজেপি চিন্তিত। সেয়েহে কংগ্ৰেছৰ সৈতে মিত্ৰতা কৰিলে অৰবিন্দ কেজৰিৱালক গ্ৰেপ্তাৰ কৰাৰ ভাবুকি দিয়া হৈছে।’ কংগ্ৰেছকে ধৰি বিৰোধীয়ে অভিযোগ উত্থাপন কৰিছে যে কংগ্ৰেছৰ সৈতে ইণ্ডিয়া জোঁটৰ অংশীদাৰ দলসমূহৰ মাজত আসনৰ ভাগ-বতৰা ৰোধ কৰিবলৈ চিবিআই, ইডিয়ে নিতৌ বিৰোধী নেতাৰ বিৰুদ্ধে অভিযান চলাই আছে, কেজৰিৱালক গ্ৰেপ্তাৰৰ ভাবুকি দিয়া হৈছে, ঝাৰখণ্ডত জেএমএমৰ মুৰব্বী হেমন্ত চোৰেনক জেললৈ প্ৰেৰণ কৰা হৈছে। ইফালে উত্তৰ প্ৰদেশত জয়ন্ত চৌধাৰীক এন ডি এলৈ অনাৰ বাবে তেওঁৰ ককাক চৌধুৰী চৰণ সিঙক ভাৰতৰত্ন বঁটা প্ৰদান কৰিছে বিজেপিয়ে। এতিয়া আয়কৰ বিভাগৰ সহায়ত কংগ্ৰেছক আৰ্থিকভাৱে দুৰ্বল কৰি তোলা হৈছে। বিৰোধীয়ে কয় যে, বিজেপি চৰকাৰৰ এনে আচৰণৰ পৰা স্পষ্ট হৈ পৰিছে নৰেন্দ্ৰ মোদীয়ে যিয়েই নকওক কিয়, বিজেপিয়ে ৩৭০খন আসন লাভ কৰাটো বাদেই, লোকসভা নিৰ্বাচনত জয়ী হোৱাটোও নিশ্চিত নহয়। মন কৰিবলগীয়া যে, দুদিন পূৰ্বে কেন্দ্ৰীয় মন্ত্ৰীসভাৰ বৈঠকত নৰেন্দ্ৰ মোদীয়ে মন্ত্ৰীসকলক লোকসভা নিৰ্বাচনৰ পিছত নতুন চৰকাৰ গঠনৰ প্ৰথম ১০০ দিনৰ কাৰ্য্যপন্থাৰ বিষয়ে জনাবলৈ কৈছিল। তেওঁ ইয়াৰ ৰূপৰেখা প্ৰস্তুত কৰিবলৈও নিৰ্দেশ প্ৰদান কৰিছিল। আনফালে, ৩ মাৰ্চত কেন্দ্ৰীয় মন্ত্ৰী পৰিষদৰ এখন বৈঠক আহ্বান কৰা হৈছে। নিৰ্বাচনৰ পূৰ্বে মন্ত্ৰী পৰিষদৰ এই অন্তিমখন বৈঠকত প্ৰধানমন্ত্ৰীয়ে তৃতীয় মোদী চৰকাৰৰ ভৱিষ্যত কাৰ্যসূচী সন্দৰ্ভত বাৰ্তা প্ৰদান কৰিব। কিন্তু কংগ্ৰেছ নেতাসকলৰ প্ৰশ্ন হ’ল মোদীয়ে ৩০৩খন আসনৰ পৰা বিজেপিৰ ৩৭০খন আসন জয় কৰাৰ কথা কৈছে, ক’ৰ পৰা আসন বৃদ্ধি হ’ব? ইতিমধ্যে হিন্দী সমষ্টিত বিজেপিয়ে পৰ্যাপ্ত আসন লাভ কৰিছে। আসন বৃদ্ধিৰ বিশেষ ঠাই নাই। দক্ষিণ আৰু পূব ভাৰতত আসন বৃদ্ধি কৰাটো বিজেপিৰ বাবে প্ৰত্যাহ্বানজনক। বিজেপি নেতাসকলে সোঁৰৰাই দিছে যে অহা সপ্তাহত নৰেন্দ্ৰ মোদীয়ে তামিলনাডু, কেৰালা, পশ্চিমবংগ, মহাৰাষ্ট্ৰ ভ্ৰমণলৈ যাব। এই চাৰিখন ৰাজ্যৰ ১৪৯ খন আসনৰ ওপৰত বিশেষ নজৰ দিছে প্ৰধানমন্ত্ৰীয়ে।

# লোকসভা নিৰ্বাচনৰ পূৰ্বেই বিজেপিলৈ যোৱাৰ যো-জা যুৱৰাজৰ

**অনলাইন ফিৰ্চাছ, ২৪ফেব্ৰুৱাৰীঃ** বিজেপিত যোগদান কৰিব প্ৰাক্তন ক্ৰিকেটাৰ যুৱৰাজ সিঙে। সকলো ঠিকে ঠাকে থাকিলে অচিৰেই বিজেপিত যোগদান কৰি নিৰ্বাচনী ৰাজনীতিতো খোজ পেলাব যুৱৰাজ সিঙে। প্ৰাপ্ত তথ্য অনুসৰি, বিজেপিৰ কেন্দ্ৰীয় নেতৃত্বৰ সৈতে আলোচনা কৰি লোকসভা নিৰ্বাচনৰ আগেয়েই বিজেপিত যোগদানৰ চিন্তা-চৰ্চা কৰিছে যুৱৰাজে। ৰাষ্ট্ৰীয়সংবাদ মাধ্যমত প্ৰকাশিত খবৰ অনুসৰি, পাঞ্জাৱৰ




গুৰুদাসপুৰ লোকসভা সমষ্টিত বিজেপিৰ পৰা প্ৰাৰ্থিত্ব আগবঢ়াব পাৰে প্ৰাক্তন ক্ৰিকেটাৰ গৰাকীয়ে।এতিয়ালৈকে এই খবৰৰ সন্দৰ্ভত কোনো প্ৰতিক্ৰিয়া প্ৰকাশ নাই যুৱৰাজ সিঙে। পাঞ্জাৱৰ গুৰুদাসপুৰ লোকসভা সমষ্টিৰ পৰা পূৰ্বে নিৰ্বাচন খেলিছিল অভিনেতা ছানী দেউলে। শেহতীয়াকৈ অভিনেতা তথা সাংসদগৰাকীৰ সদনত দুৰ্বল ভূমিকাক লৈ সমষ্টিবাসী খুবেই ক্ষোভিত। সেয়েহে এই সমষ্টিত দুনাই নিৰ্বাচন নেখেলে ছানী দেউলে। সেয়ে এই সমষ্টিৰ পৰা এইবাৰ যুৱৰাজ সিঙক বিজেপিয়ে প্ৰাৰ্থী হিচাপে প্ৰক্ষেপ কৰিব বুলি চৰ্চা হৈছে।

## কোচৰাজবংশীৰ জনজাতিকৰণত গুৰুত্ব নিদিয়াত চৰকাৰৰ বিৰুদ্ধে ক্ষোভ

# কোকৰাঝাৰত ৫১৪তম বিশ্ব মহাবীৰ চিলাৰায় দিৱস উদযাপন

**ই-সংবাদ, কোকৰাঝাৰ, ২৪ ফেব্ৰুৱাৰীঃ** ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ লগতে আজি কোকৰাঝাৰতো ৫১৪ তম বিশ্ব মহাবীৰ চিলাৰায় দিৱস উদযাপন কৰা হয়। বিটিআৰ কোচ ৰাজবংশী সন্মিলনীৰ কোকৰাঝাৰ আঞ্চলিক সমিতিৰ উদ্যোগত কোকৰাঝাৰৰ চিলাৰায় ভৱন প্ৰাংগনত দিনজোৰা কাৰ্যসূচীৰে ৫১৪ তম বিশ্ব মহাবীৰ চিলাৰায় দিৱস উদযাপন কৰা হয়। ৰাতিপুৱা পতাকা উত্তোলনেৰে বিশ্ব মহাবীৰ চিলাৰায় দিৱসৰ দিনজোৰা কাৰ্যসূচীৰ শুভাৰম্ভ কৰে বিটিআৰ কোচ ৰাজবংশী সন্মিলনীৰ সভাপতি লক্ষীন্দ্ৰ ৰায়ে। ইয়াৰ পিছতে বন্তি প্ৰজ্বলন কৰেসন্মিলনীৰ সাধাৰণ সম্পাদক নিবাছ চৌধুৰী আৰু বিশ্ব মহাবীৰ চিলাৰায়ৰ প্ৰতিচ্ছবিত মাল্যাৰ্পণ কৰে সন্মিলনীৰ উপসভাপতি অপূৰ্ব বৰ্মনে। উল্লেখ্য যে বিয়লী কোচ ৰাজবংশীৰ জনজাতিকৰণ আৰু বিটিআৰত কোচ ৰাজবংশী উন্নয়ণ



বৰ্ড গঠন কৰাক বিষয়টোক লৈ এক আলোচনাচক্ৰ অনুষ্ঠিত হয়। ইপিনে দীৰ্ঘদিন দিন ধৰি দাবী জনাই অহাৰ পিছতো কোচ ৰাজবংশী জনগোষ্ঠীৰ জনজাতিকৰণৰ বিষয়টোত গুৰুত্ব নিদিয়াত ড° হিমন্ত বিশ্ব শৰ্মা নেতৃত্বাধীন ৰাজ্য চৰকাৰৰ বিৰুদ্ধে তীব্ৰ প্ৰতিক্ৰিয়া আৰু ক্ষোভ প্ৰকাশ কৰিছে সন্মিলনীৰ সভাপতি লক্ষীন্দ্ৰ ৰায়ে। ইয়াৰ প্ৰত্যুত্তৰ আসন্ন লোকসভা নিৰ্বাচনত বেলটৰ জৰিয়তে প্ৰদান কৰা হ'ব বুলি উল্লেখ কৰিছে সন্মিলনীৰ সভাপতি গৰাকীয়ে। একেদৰে বিটিআৰ এলেকাত কোচ ৰাজবংশী উন্নয়ণ বৰ্ড গঠন কৰাৰ বাবে বিটিআৰ প্ৰধান প্ৰমোদ বড়োক দাবী জনাই অহা হৈছিল যদিও বিষয়টোক লৈ কোনো গুৰুত্ব প্ৰদান নকৰিলে বুলি ক্ষোভ প্ৰকাশ কৰি সন্মিলনীৰ সভাপতি লক্ষীন্দ্ৰ ৰায়ে ইয়াৰো প্ৰত্যুত্তোৰো প্ৰমোদ বড়োক বেলটৰ জৰিয়তে দিয়া হব বুলি মন্তব্য কৰিছে।

# দেওবাৰৰ পৰা আৰম্ভ 'অসমতো কেজৰিৱাল' অভিযান

**ই সংবাদ, গুৱাহাটী, ২৪ফেব্ৰুৱাৰীঃ** সমগ্ৰ দেশে বিজেপিৰ বিকল্পৰ সন্ধানত থকাৰ সময়তে আম আদমি পাৰ্টীয়ে ইণ্ডিয়া এলায়েন্সৰ হৈ অসমৰ তিনিখন লোকসভা আসনত প্ৰতিদ্বন্দ্বিতা আগবঢ়াবলৈ সাজু হৈছে। দলটোৱে ইতিমধ্যে নিৰ্বাচনকেন্দ্ৰিক প্ৰচাৰ আৰম্ভ কৰি জনতাৰ বিপুল সঁহাৰি লাভ কৰিবলৈ সক্ষম হৈছে। নিৰ্বাচনী প্ৰচাৰৰ লগত সংগতি ৰাখি আপে অসমত প্ৰতিদ্বন্দ্বিতা আগ বঢ়োৱা তিনিটা সমষ্টিত 'অসমতো কেজৰিৱাল' শীৰ্ষক এক অভিযান আৰম্ভ কৰিব। দেওবাৰৰ পৰা ১০ দিন চলিবলগীয়া এই অভিযানৰ বিষয়ে সদৰি কৰি আপ অসমৰ সভাপতিতথা গুৱাহাটী লোকসভা সমষ্টিৰ আপৰ প্ৰাৰ্থী ডাঃ ভবেন চৌধুৰীয়ে কয় যে ৭০০০জনীয়া এটা স্বেচ্ছাসেৱকৰ দলে সমষ্টিটোৰ প্ৰতিটো বাৰ্ড আৰু চুবুৰীলৈ গৈ জনসভাৰ আয়োজন কৰিব। কাইলৈ এই অভিযানৰ শুভাৰম্ভ মহানগৰৰ বেলতলাস্থিত বলিষ্ঠ চাৰিআলি শিশু উদ্যানত কৰা হ'ব বুলি তেওঁ জানিবলৈ দিয়ে। এই অভিযানৰ অংশ হিচাপে আম আদমি পাৰ্টীৰ ৰাষ্ট্ৰীয় আহ্বায়ক অৰবিন্দ কেজৰিৱালৰ অসমবাসীলৈ প্ৰেৰণ কৰা পত্ৰ সম্বলিত এখন প্ৰচাৰ-পত্ৰিকাও আজি ডাঃ চৌধুৰীয়ে উন্মোচন কৰে। দেশৰ বৃহৎ বৃহৎ দুৰ্নীতিত লুতুৰিপুতুৰি হৈ থকা ডাঙৰ ডাঙৰ ৰাজনৈতিক নেতাক ৰঙা দলিচা পাৰি দিয়া বিজেপিৰ পৰা যে দেশৰ উন্নতি নহয়, সেই কথা জনতাই বুজি পাই বিকল্পৰ সন্ধানত আছে। ভাৰতক বিশ্বৰ ভিতৰত ১ নম্বৰ দেশ হিচাপে গঢ়ি তোলাৰ বাবে পণ কৰা অৰবিন্দ কেজৰিৱাল আৰু আম আদমি পাৰ্টীয়েই যে একমাত্ৰ বিকল্প, জনতাই বুজি পাইছে। সেই লক্ষ্য, উদ্দেশ্য আৰু সংকল্প আগত ৰাখি আম আদমি পাৰ্টীয়ে এই নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতাকৰিছে বুলি মন্তব্য কৰে আপ অসমৰ সভাপতিগৰাকীয়ে।

# শোণিতপুৰ-বিশ্বনাথত ভূমি পট্টা বিতৰণ মন্ত্ৰী পীযুষ হাজৰিকাৰ

**ই সংবাদ, তেজপুৰ, ২৪ফেব্ৰুৱাৰীঃ** মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা আৰু মুখ্যমন্ত্ৰীৰ ঘনিষ্ঠ দুই মন্ত্ৰী জয়ন্তমল্ল বৰুৱা আৰু পীযুষ হাজৰিকাই ৰাজ্যত ভূমি পট্টা বিতৰণ কাৰ্যসূচী অব্যাহত ৰাখিছে৷ লোকসভা নিৰ্বাচনৰ পূৰ্বে মুখ্যমন্ত্ৰী আৰু দুই ঘনিষ্ঠ মন্ত্ৰীয়ে খিলঞ্জীয়াক ভূমি পট্টা প্ৰদানত ব্যস্ত হৈছে৷ আজি মন্ত্ৰী পীযুষ হাজৰিকাই শোণিতপুৰ আৰু বিশ্বনাথ জিলাত ভূমি পট্টা প্ৰদান কাৰ্যসূচীত অংশ লয়৷ মিছন বাসুন্ধৰা আঁচনি ২.০ৰ অধীনত মন্ত্ৰী হাজৰিকাই বিহালীৰ ৩২০৯টা, বিশ্বনাথৰ ৩৮০৪ টা আৰু নাদুৱাৰ ৪৭০২টা পৰিয়ালৰ মাজত ভূমি পট্টা বিতৰণ কৰে। বিহালী সমষ্টিৰ বৰগাওঁৰ শ্ৰীমন্ত শংকৰদেৱ প্ৰেক্ষাগৃহত ৩২০৯টা পৰিয়ালক ভূমি পট্টা প্ৰদান কৰে৷ ভাষণ প্ৰদান কৰি জনসাধাৰণৰ কল্যাণৰ বাবে ৰাজ্য চৰকাৰৰ প্ৰয়াস কৰি থকা বুলি দাবী কৰে মন্ত্ৰী হাজৰিকাই৷ মন্ত্ৰী পীযুষ হাজৰিকাই কয় যে মই মাহত দুবাৰ বা তিনিবাৰ বিশ্বনাথ আৰু শোণিতপুৰলৈ আহো৷ মই চাহ আৰু ভাত খাবলৈ নাহো, কেতিয়াবা মই ৰেচন কাৰ্ড বিতৰণ, কেতিয়াবা মিছন বাসুন্ধৰাৰ অধীনত পট্টা বিতৰণ কৰিবলৈ আহো৷ বান আৰু খহনীয়া ৰোধৰ কামৰ বাবে আহো৷ অংগনৱাড়ী কেন্দ্ৰ স্থাপন, বিদ্যালয়, চিকিৎসালয় স্থাপন কৰিবলৈ আহো৷ হাজৰিকাই আৰু কয় যে মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই বিগত তিনিটা বছৰত অসমৰ ব্যাপক উন্নয়নৰ বাবে পৰিশ্ৰম কৰা বুলি উল্লেখ কৰি কয় যে মিছন বসুন্ধৰাৰ অধীনত প্ৰায় ১১ লাখ পৰিয়ালে ভূমি পট্টা লাভ কৰিবলৈ সক্ষম হৈছে। কোনেও কল্পনাও কৰিব নোৱাৰাকৈমিছন বসুন্ধৰাৰ অধীনত জনজাতীয় আৰু অনুসূচীত জাতিৰ লোকসকলে সহজে ভূমি পট্টা লাভ কৰিছে।

# গুৱাহাটীত বাহনৰ খুন্দাত নিহত প্ৰতিভাৱান বাদ্যশিল্পী কমল বৰুৱাৰ

**ই সংবাদ, ২৪ফেব্ৰুৱাৰীঃ** মহানগৰীত পুনৰ সংঘটিত হৈছে হিট এণ্ড ৰানৰ ঘটনা। বন্ধুৰ শ্ৰদ্ধাঞ্জলি অনুষ্ঠান লৈ আহি দুৰ্ঘটনাতপতিত হৈ অকাল মৃত্যুক আঁকোৱালি ল'লে বাদ্যশিল্পীয়ে। নিহত শিল্পীগৰাকীৰ নাম কমল বৰুৱা বুলি জানিব পৰা গৈছে। উল্লেখযোগ্য যে, বিগত ৭বছৰ ধৰি ২৫ ফেব্ৰুৱাৰীত কটন বিশ্ববিদ্যালয়ত অনুষ্ঠিত হৈ আহিছে 'আৱেগ' শীৰ্ষক শ্ৰদ্ধাঞ্জলি অনুষ্ঠান। এই অনুষ্ঠানত অংশগ্ৰহণৰ বাবে আহিছিল কমল বৰুৱা নামৰ শিল্পীগৰাকী। SMACK BAND নামৰ সংগীত পৰিৱেশন কৰা দলটোৰ এগৰাকী ড্ৰামবাদক হিচাপে আছিল কমল বৰুৱা। জানিব পৰামতে শনিবাৰে নিশা কমলেমটৰচাইকেলৰে ভৰলু অভিমুখে আহি থকা অৱস্থাত ভৰলু পইন্টত সংঘটিত হৈছিল ভয়ংকৰ দুৰ্ঘটনাটো। এখন অচিনাক্ত বাহনে খুন্দিওৱাত



নিহত হৈছিল সম্ভাৱনাময় যুৱক কমল বৰুৱা। দুৰ্ঘটনা সংঘটিত কৰিয়ে বাহনখন পলায়ন কৰা বুলি এক সূত্ৰ প্ৰকাশ। ইতিমধ্য,ভৰলু আৰক্ষীয়ে উদ্ধাৰ কৰিছে কমলৰ মৃতদেহ আৰু জব্দ কৰিছে দুৰ্ঘটনাগ্ৰস্ত বাইকখন। দুৰ্ঘটনা সংঘটিত কৰি পলায়ন কৰা বাহনখনৰ পলাতক চালকজন ডাম্পাৰৰ হয় নে নহয় সেই বিষয়েও যান-বাহন আৰক্ষীয়ে তদন্ত অব্যাহত ৰাখিছে। দুৰ্ঘটনাত নিহত কমলক সম্প্ৰতি GMCHৰ মৰ্গত ৰখা হৈছে। তেওঁৰ পৰিয়াল আৰু কটনৰ ছাত্ৰ-ছাত্ৰীসকল জি এম চি এইচত উপস্থিত হোৱাৰ কথা জানিব পৰা গৈছে। পৰিয়ালৰলোকৰ উপস্থিতিত মৰণোত্তৰ পৰীক্ষা সম্পন্ন হোৱাৰ পিছতে কমলৰ মৃতদেহ লৈ যোৱা হ'ব বাসগৃহলৈ। আকস্মিক বিয়োগৰ পিছতে কটনৰ অনুষ্ঠান বাতিল কৰিছে উদ্যোক্তাই।

# কটনৰ চুডমাৰ্চন প্ৰেক্ষাগৃহত তৃতীয় পৰাগ কুমাৰ দাস সোঁৱৰণী বক্তৃতানুষ্ঠান সম্পন্ন




**ই সংবাদ, গুৱাহাটী, ২৪ফেব্ৰুৱাৰীঃ** সাহসী, নিৰ্ভীক তথা অসমীয়া সাংবাদিকতা জগতৰ অন্যতম নক্ষত্ৰ পৰাগ কুমাৰ দাসৰ ওপজা দিনৰ সৈতে সংগতি ৰাখি কটন বিশ্ববিদ্যালয়ৰ চুডমাৰ্চন প্ৰেক্ষাগৃহত অনুষ্ঠিত এটি গাম্ভীৰ্যপূৰ্ণ বক্তৃতানুষ্ঠান। ভিন্ন ক্ষেত্ৰৰ বহু সংখ্যক বিশিষ্ট ব্যক্তিৰ উপস্থিতিত অনুষ্ঠিত হোৱা এই বক্তৃতানুষ্ঠানখনিৰ আঁত ধৰে নিৰন্ধকাৰ ময়ূৰ বৰাই। বিশিষ্ট সাংবাদিক তথা চিন্তাবিদ হাইদৰ হুচেইনে সভাপতিৰ আসনত অলংকৃত কৰা অনুষ্ঠানটোত পৰাগ কুমাৰ দাসৰ সহধৰ্মিনী পূৰবী দাসে বন্তি প্ৰজ্বলন কৰি প্ৰয়াত সাংবাদিক গৰাকীক শ্ৰদ্ধা নিবেদন কৰে। উল্লেখযোগ্য যে, যোৱা দুবছৰে পৰাগ কুমাৰ দাসৰ জন্মদিনটোত এই বক্তৃতানুষ্ঠানখনিৰ আয়োজন কৰি আহিছে পৰাগ কুমাৰ দাস মেমৰিয়েল ট্ৰাষ্টে। এইবেলি তৃতীয় পৰাগ কুমাৰ দাস সোঁৱৰণী বক্তৃত্বানুষ্ঠানখনিত বক্তা হিচাপে উপস্থিত থাকে অসম জাতীয় বিদ্যালয়শিক্ষা সংসদৰ সচিব তথা বিশিষ্ট চিকিৎসক ডাঃ নাৰায়ণ শৰ্মা। তৃতীয় পৰাগ কুমাৰ দাস সোঁৱৰণী বক্তৃতানুষ্ঠানৰ এইবাৰৰ বিষয় আছিল- 'শৈশৱৰ শিক্ষা, সাম্প্ৰতিক প্ৰেক্ষাপট আৰু ভৱিষ্যতৰ প্ৰত্যাহ্বান।' বিষয়টোৰ সন্দৰ্ভত বক্তৃতা আৰম্ভণি কৰাৰ সময়তে একালৰ বন্ধু তথা সতীৰ্থ পৰাগ কুমাৰ দাসক সুঁৱৰি আৱেগিক হৈ পৰে ডাঃ নাৰায়ণ শৰ্মা। কেনেকৈ জাতি আৰু ভাষাৰ প্ৰতি থকা টানৰ বাবে লোভনীয় চাকৰি এৰি পৰাগ দাসে সামাজিক কামত সংপৃক্ত হৈ পৰিছিল সেই কথা অনুষ্ঠানটোত ৰোমন্থন কৰে ডাঃ শৰ্মাই। ইয়াৰ পিছতে ডাঃ নাৰায়ণ শৰ্মাই মূল বিষয়ৰ সন্দৰ্ভত বক্তৃতা আৰম্ভ কৰে। প্ৰায় ৫০মিনিটৰ বক্তৃতাত তেওঁ অসমৰ লগতে দেশ-বিদেশৰ শিক্ষানীতি আৰু শৈশৱৰ শিক্ষা আৰু ভৱিষ্যতে শিক্ষাৰ ক্ষেত্ৰখনত আহিব পৰা নানান প্ৰত্যাহ্বানৰ সন্দৰ্ভত আলোকপাত কৰে। অসম জাতীয় বিদ্যালয়ে কি নীতিৰে বিগত ৩টা দশকধৰি বহু মানৱ সম্পদৰজন্ম দিছে সেই বিষয়েও ডাঃ শৰ্মাৰ বক্তৃতাত স্থান পায়। ডাঃ শৰ্মাই কয়- শৈশৱৰ সকলো শিক্ষা মাতৃভাষাতে প্ৰদান কৰিব লাগে। ইয়াত কোনো আৱেগিক বিষয়ে স্থান পাব নালাগে। শৈশৱত মাতৃভাষাত শিক্ষাদান কৰাটো বৈজ্ঞানিকভাৱেও এক স্বীকৃত পদ্ধতি। শৈশৱৰ শিক্ষাত কেতিয়া নম্বৰ বা ৰেংকৰ ব্যৱস্থা থাকিবই নালাগে। তেনে কৰিলে এটি শিশুৰ মানসিক অৱস্থাত প্ৰভাৱ পেলায় আৰু ভৱিষ্যতে ইয়াৰ প্ৰভাৱ পৰে। অসম জাতীয় বিদ্যালয়ে এই বিষয়টোৰ ওপৰত গুৰুত্ব প্ৰদান কৰি প্ৰাক-প্ৰাথমিক শিক্ষা প্ৰদান কৰি সুফল লাভ কৰি আহিছে। অসমত প্ৰায়বোৰ প্ৰাক-প্ৰাথমিক বিদ্যালয়তেই ভুল শিক্ষা প্ৰদান কৰি আছে বুলি আক্ষেপ প্ৰকাশ কৰি ডাঃ শৰ্মাই কয়- বিশ্বৰ ভিতৰত শিক্ষাৰ ক্ষেত্ৰত সদায়েই শীৰ্ষস্থান দখল কৰি অহা ফিনলেণ্ডত শিক্ষাদানৰ ৬বছৰলৈকে কোনো ৰেংক বা নম্বৰৰ ব্যৱস্থা কৰা নহয়। শিশুসকলে স্বতন্ত্ৰভাৱে শিক্ষা গ্ৰহণ কৰাৰ এই ব্যৱস্থাই ফিনলেণ্ডক সদায়েই মানৱ সম্পদ গঢ়াত সহায় কৰি আহিছে। শিশুৰ সৰ্বতোপ্ৰকাৰৰ বিকাশৰ বাবে সকলো শিক্ষা প্ৰদানৰ পোষকতা কৰে ডাঃ নাৰায়ণ শৰ্মাই। লগতে প্ৰচলিত শিক্ষা ব্যৱস্থাৰ বহু কথাৰ সংশোধন আৰু মানসিকতাৰ সলনিৰ কথাও ডঃ শৰ্মাই ভাষণৰ প্ৰসংগত উল্লেখ কৰে। শিক্ষানীতিৰ বহুবোৰ কথা নিজৰ বক্তব্যত স্থান দি ডাঃ শৰ্মাই সেইবোৰ বাস্তৱ ক্ষেত্ৰত সফল প্ৰয়োগৰ পোষকতা কৰে। শিক্ষা বিষয়ক অন্য বহু প্ৰসংগৰ বিস্তাৰিত বিৱৰণ দিয়া ডাঃ নাৰায়ণ শৰ্মাৰ ৫০মিনিটৰ এই সাৱলীল বক্তব্য চুডমাৰ্চন হলত উপস্থিত থকা প্ৰায় দুই শতাধিক দৰ্শকক মন্ত্ৰমুগ্ধ কৰি ৰাখে। শেষত হাইদৰ হুচেইনৰ ভাষণেৰে অন্ত পৰে এই গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানটি।

শেষ পৃষ্ঠা


## ৰাঁচী টেষ্ট

# ইংলেণ্ড শক্তিশালী

**ৰাঁচী, ২৪ ফেব্ৰুৱাৰীঃ** ভাৰত আৰু ইংলেণ্ডৰ মাজত ইয়াত চলি থকা চতুৰ্থ টেষ্টৰ দ্বিতীয় দিনা ইংলেণ্ডে নিজৰ প্ৰভুত্ব বিস্তাৰ কৰিবলৈ সক্ষম হৈছে। আজি ইংৰাজ স্পিনাৰ সকলৰ সন্মুখত ভাৰতীয় বেটাৰ সকল ব্যৰ্থ হয়। ইংলেণ্ডৰ প্ৰথম ইনিংছৰ ৩৫৩ ৰানৰ উত্তৰত ভাৰতীয় দলে ৭৩ অভাৰত সাতটা উইকেট হেৰুৱাই সংগ্ৰহ কৰিছে ২১৯ ৰান। দলৰহৈ যশস্বী জয়চোৱালে সৰ্বাধিক ৭৩ ৰান কৰে। শুভমন গিলৰ বেটৰ পৰা আহে ৩৮ ৰান। দিনান্তত ধ্ৰুৱ জোৰেলে ৩০ আৰু কুলদীপ যাদবে ১৭ ৰানত বেটিং কৰি আছে। ভ্ৰমণকাৰীক দলটোৰহৈ ছোৱাইব বাছিৰে চাৰিটা আৰু টম হাৰ্টলেই দুটা উইকেট দখল কৰে। ইয়াৰ পূৰ্বে কালিৰ সাত উইকেটত ৩০২ ৰানৰ পৰা খেলিবলৈ আৰম্ভ কৰি ১০৪.৫ অভাৰত ৩৫৩ ৰান কৰি ইনিংছ সামৰে ইংলেণ্ডে। কালিৰ অপৰাজিত বেটাৰ জো ৰুটে ১২২ আৰু অলী ৰবিনচনে ৫৮ ৰান কৰে। ঘৰুৱা দলৰ হৈ ৰবীন্দ্ৰ জাদেজাই আজি পতন হোৱা তিনিউটা উইকেট দখল কৰে। ইনিংছটোত তেওঁ লাভ কৰা মুঠ উইকেটৰ সংখ্যা চাৰি। ইয়াৰ বাহিৰেও আকাশ দ্বীপে তিনিটা আৰু মহম্মদ ছিৰাজে ২ উইকেট লয়।

# ডুবাই চেম্পিয়নশ্বিপত নাগাল

**ডুবাই, ২৪ ফেব্ৰুৱাৰীঃ** ডুবাই চেম্পিয়নশ্বিপ এ টি পি ৫০০ টেনিছ প্ৰতিযোগিতাত অংশগ্ৰহণ কৰাৰ বাবে ৱাইল্ড কাৰ্ড লাভ কৰিছে ভাৰতৰ এক নম্বৰ খেলুৱৈ সুমিত নাগালে। অহা ২৬ ফেব্ৰুৱাৰীৰ পৰা আৰম্ভ হ'ব লগীয়া প্ৰতিযোগিতাখনৰ প্ৰাৰম্ভিক ৰাউণ্ডত তেওঁ ইটালীৰ ল'ৰেঞ্জো ছ' নেগোৰ বিৰুদ্ধে খেলিব। ছ'নেগো বৰ্তমান ৰেংকিং তালিকাত ৪৯নম্বৰ স্থানত আছে।



Ads Via G-Adsense

# কোকৰাঝাৰত চাঞ্চল্য! পিতৃয়ে প্ৰাণ ল'লে সন্তানৰ

**ই-সংবাদ, কোকৰাঝাৰ, ২৪ ফেব্ৰুৱাৰীঃ** কোকৰাঝাৰত মাতাল পিতৃৰ নিষ্ঠুৰ কাণ্ডৰ এক ঘটনাই জিলাখনত চাঞ্চল্যৰ সৃষ্টি কৰিছে। কোকৰাঝাৰ জিলাৰ দালোৱাবাৰী বাগিছা পাত্ৰা লাইন নিৰাসী কৃষ্ণ মিঞ্চে নিজৰেই ডেৰমহীয়া শিশুসন্তানক বিছনাত আফাল মাৰি সকৰুণ মৃত্যুৰ মুখলৈ ঠেলি দিয়ে। প্ৰাপ্ত বাতৰি মতে, কোকৰাঝাৰ জিলাৰ দালোৱাবাৰী বাগিছাৰ পাত্ৰা লাইন নিৰাসী কৃষ্ণ মিঞ্চে মাতাল হৈ তেওঁৰ পত্নী সোণামনি মিঞ্চৰ সতে প্ৰায়ে কাজিয়াত লিপ্ত হয়। যোৱা ২২ ফেব্ৰুৱাৰীৰ নিশাও মাতাল কৃষ্ণ মিঞ্চে ঘৰলৈ আহি পত্নীৰ সতে কাজিয়াত লিপ্ত হয় আৰু পত্নীৰ কোলাত থকা নিজৰেই ডেৰমহীয়া শিশু সন্তানক বিছনাত আফাল মাৰি দিয়ে। যাৰ পৰিণতিত শিশুটি গুৰুতৰভাৱে আঘাপ্ৰাপ্ত হয় যদিও পিতৃ-মাতৃয়ে চিকিৎসালয়ত লৈ যোৱাৰ পৰা বিৰত থাকে। ইয়াৰ বিপৰীতে তেওঁলোকে কৱিৰাজৰ চিকিৎসা কৰে যদিও কালি নিশা দূৰ্ভগীয়া শিশুটিয়ে কৰুণ মৃত্যুক সাৱটি লয়। শিশুটিৰ কৰুণ মৃত্যুৰ পিছত পিতৃয়ে পুণৰ নিষ্ঠুৰতা প্ৰকাশ কৰি সংগোপনে ঘৰৰ কাষতে পুতি থয় শিশুটিক। এই ঘটনাত মাতৃ সোণামনি মিঞ্চ মানসিকভাৱে ভাগি পৰে আৰু গাঁওবুঢ়াক অৱগত কৰে। ইয়াৰ পিছতেই অহুকাণে -পহুকাণে গোটেই ঘটনাটো ৰাষ্ট্ৰ হৈ পৰে আৰু গাঁওৱাসীয়ে আৰক্ষীক খবৰ দিয়ে। ঘটনাস্থলীত আৰক্ষী উপস্থিত হোৱাত ৰাইজে পাষণ্ড পিতৃ কৃষ্ণ মিঞ্চক আটক কৰি আৰক্ষীক চমজাই দিয়ে। ইপিনে আৰক্ষীয়ে দণ্ডাধীশৰ উপস্থিতিত শিশুটিৰ মৃতদেহ খান্দি বাহিৰ কৰে আৰু মৰণোত্তোৰ পৰীক্ষাৰ বাবে প্ৰেৰণ কৰিছে। উক্ত নিষ্ঠুৰ ঘটনাক লৈ অঞ্চলজুৰি চাঞ্চল্যৰ সৃষ্টি হৈছে আৰু ঘাতক পিতৃৰ কঠোৰ শাস্তিৰ দাবী উত্থাপন কৰিছে।

newsnextone.comৰ দ্বাৰা গুৱাহাটীৰ পৰা অনলাইনযোগে প্ৰকাশিত আৰু News Next Oneৰ কাৰ্যবাহী সম্পাদক ধ্ৰুৱজ্যোতি ধনন্তৰিৰ দ্বাৰা সম্পাদিত
বাৰ্তা সম্পাদকঃ ওৱাহেদৰ ৰহমান
ই-মেইলঃ newsnextne@gmail.com